Roll No. | | | | | | | | |

**Code No. 004**

Candidates must write the Code on the title-page of the answer-book.

# ASSAMESE

# অসমীয়া

***General Instructions :***

***Read the following instructions very carefully and strictly follow them :***

*সময় ঃ 3 ঘণ্টা* — *মুঠ নম্বৰ ঃ 80*

*Time allowed : 3 hours* — *Maximum marks : 80*

***Note :***

(i) *Please check that this question paper contains* **08** *printed pages.*

(ii) *Code number given on the right hand side of the question paper should be written on the title -page of the answer-book by the candidate.*

(iii) *Please check that this question paper contains* **20** *questions.*

(iv) ***Please write down the Serial Number of the question in the answer-book before attempting it.***

(v) ***15*** *minutes time has been allotted to read this question paper. The question paper will be distributed at* **10.15** *a.m. From* **10.15** *a.m. to* **10.30** *a.m., the students will read the question paper only and will not write any answer in the answer-book during this period.*

(vi) *This question paper comprises* ***four Sections - Section A***, ***Section B***, ***Section C*** *and* ***Section D***.

(vii) ***Section A*** *- contains* **1** *question, Question no.* **1**.

(viii) ***Section B*** *- contains* **5** *questions, Question no.* **2** *to* **6**.

(ix) ***Section C*** *- contains* **8** *questions, Question no.* **7** *to* **14**.

(x) ***Section D*** *contains* **6** *questions, Question no.* **15** *to* **20**.

(xi) ***All*** *questions are* ***compulsory***.

(xii) *Answer should be in brief and to the point.*

(xiii) *Separate instructions are given with each section and question wherever necessary.*

## SECTION - A (15 Marks)

## বোধ পৰীক্ষণ

**1.** তলত দিয়া ৰচনাখণ্ড পঢ়ি তাৰ তলত দিয়া প্ৰশ্নসমূহৰ আটাইতকৈ উপযুক্ত বিকল্পটো বাছি উলিয়াই উত্তৰ কৰাঁ।

অসমৰ এগৰাকী অন্যতম কৃতী সন্তান কালিৰাম মেধি অসমীয়া ভাষা-সাহিত্য চৰ্চাৰ ক্ষেত্ৰত একাধিক কাৰণত স্মৰণীয় ব্যক্তি। পুৰণি অসমীয়া সাহিত্যৰ সমীক্ষাত্মক পাঠ অধ্যয়নৰ তেঁৱেই বাটকটীয়া। ‘প্ৰহ্লাদ চৰিত’ আৰু ‘অংকাৱলী’ সম্পাদনাৰে তেওঁ অসমীয়া সাহিত্যত এক নতুন দিগন্তৰ সন্ধান দিয়ে। বাটকটীয়াৰ ত্ৰুটি-বিচ্যুতি স্বত্বেও কেৱল এইখিনিৰ বাবেই তেওঁ অসমীয়া সাহিত্যৰ বুৰঞ্জীত ঐতিহাসিক দিশৰ পৰা গুৰুত্বপূৰ্ণ ব্যক্তি বুলি স্বীকৃতি পাবৰ যোগ্য যদিও তেওঁৰ অবিস্মৰণীয় অৱদান হ’ল ‘অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব’ নামৰ গ্ৰন্থখনহে। ১৯৩৬ চনত ই ছপা হৈ ওলায়।

অসমীয়া ভাষা-সাহিত্য চৰ্চাত প্ৰশাসনীয় বিষয়াসকলৰ বৰঙণি উলাই কৰিব পৰা বিধৰ নহয়। ইয়াৰ ভিতৰত মেধিৰ ব্যাকৰণখনৰ এক সুকীয়া বৈশিষ্ট্য আছে। প্ৰথম, ‘অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব’ অসমীয়া ভাষাত প্ৰথম আৰু ক’বলৈ গ’লে আজিলৈ একমাত্ৰ পুথি য’ত ভাষাটোৰ বিৱৰ্তনৰ ধাৰা তথ্যভিত্তিক আলোচনাৰে বিশ্বাসযোগ্য ৰূপত উপস্থাপন কৰা হৈছে। দ্বিতীয়, অসমীয়া ভাষাত লিখা এইখনেই আকৃতিত সৰ্ববৃহৎ ব্যাকৰণ। তৃতীয়তে, বিষয়বস্তুৰ সৈতে একাত্মবোধ; লগতে পাণ্ডিত্য প্ৰদৰ্শনতকৈ সত্য উদ্‌ঘাটনৰ আন্তৰিক প্ৰচেষ্টা। চতুৰ্থ, ইংৰাজী ভাষাত লিখা সুদীৰ্ঘ পাতনিখন। সঁচা কথা ক’বলৈ পাতনিখনেই এখন স্বয়ংসম্পূৰ্ণ কিতাপ। বিহু, মৃতকৰ উৎসৱ, শিশুৰ জন্মোৎসৱ, তিৰোতাৰ মাহেকীয়া, সাজ-সজ্জা, কলিতা জাতিৰ কথা আদিৰ উল্লেখেৰে সমাজ-ভাষাতাত্ত্বিক দৃষ্টিকোণৰ পৰা (socio-linguistic approach) শব্দৰ মূল নিৰ্ণয়ৰ চেষ্টা কৰা হৈছে। সন্দেহ নাই, এই আলোচনা প্ৰাথমিক পৰ্যায়ৰ আৰু ‘তিলতণ্ডুলৱৎ’ হোৱা বাবে বিতৰ্কৰ উৰ্ধ্বত নহয় ; কিন্তু আমাৰ ভাষাত এনেদৰে বিশ্লেষণ কৰাৰ কৃতিত্বৰ দাবী মেধিৰ প্ৰাপ্য।

অসমীয়া ভাষাত শৌৰসেনী, মাগধী, তিব্বত বৰ্মী, দ্ৰাবিড় আদি উপাদানৰ লগতে প্ৰাক্-বৈদিক আৰু বৈদিক উপাদানৰ প্ৰতিও মেধিয়ে আমাৰ দৃষ্টি আকৰ্ষণ কৰিছে।

প্ৰাক্-বৈদিক উপাদান হিচাপে আবু, আতা, উকহ, উট, উৰুলি, ওৰ, কাল্‌লা, গেৰি, ঘোপা, জুই, জনী, জহৰা, ডাক আদি শব্দৰ উল্লেখ কৰিছে আৰু গ্ৰীক, লেটিন, বেদ আদি শব্দৰ সৈতে সাদৃশ্য দেখুৱাইছে। এইবোৰৰ ভিতৰত সম্বন্ধবাচক শব্দবোৰ বিশেষ ভাষাৰে সম্পৰ্কিত কৰা টান। কাৰণ, পৃথিৱীৰ সকলো ভাষাতে এনে শব্দবোৰ ঔষ্ঠ্য আৰু দন্ত্য ধ্বনিৰ পুনৰাবৃত্তি, অথবা অ, আ, ই-ৰ সমষ্টি (পিতা, আই, আতা, বাবা, দাদা, পাপা, মাম্‌সী, ডেডী, মম) আৰু সীমিত ক্ষেত্ৰত কণ্ঠ্য ধ্বনি (ককা, ককাই) ৰে গঠিত।

(I) ‘অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব’ নামৰ গ্ৰন্থখনৰ পাতনিখন কি ভাষাত লিখা হৈছিল ? **1**

(A) অসমীয়াত (B) বাংলাত

(C) হিন্দীত (D) ইংৰাজীত

(II) তলত উল্লেখ কৰা গ্ৰন্থকেইখনৰ ভিতৰত কোনখন কালিৰাম মেধিয়ে লিখা বা সম্পাদনা কৰা নহয় ? **1**

(A) অসমীয়া ভাষাৰ বিভিন্ন দিশ (B) প্ৰহ্লাদ চৰিত

(C) অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব (D) অংকাৰলী

(III) সম্বন্ধবাচক শব্দবোৰ পৃথিবীৰ প্ৰায় সকলো ভাষাতে সাধাৰণতে দুই ধৰণৰ ধ্বনিৰ পুনৰাবৃত্তি বুলি উল্লেখ কৰা হৈছে। এই দুবিধ ধ্বনি হৈছে — **1**

(A) ঔষ্ঠ্য আৰু কণ্ঠ্য (B) কণ্ঠ্য আৰু দন্ত্য

(C) ঔষ্ঠ্য আৰু দন্ত্য (D) দন্ত্য আৰু তালব্য

(IV) তলত দিয়া কোনকেইটা শব্দ কালিৰাম মেধিয়ে অসমীয়া ভাষাত থকা প্ৰাক্-বৈদিক উপাদান হিচাপে দেখুৱাইছে ? **1**

(A) আই, উৰুলি, আবু, আতা (B) ডাকোৱাল, চিপাহী, চন্তৰী

(C) দোৱাত, কলম, কাগজ (D) ফৰমান, চহী, ফতোৱা

(V) 'অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব' গ্ৰন্থখন প্ৰথম কেতিয়া ছপা হৈ ওলাইছিল ? **1**

(A) 1836 চনত (B) 1863 চনত

(C) 1936 চনত (D) 1963 চনত

(VI) সমাজ-ভাষাতাত্ত্বিক দৃষ্টিকোণৰ পৰা (socio-linguistic approach) কালিৰাম মেধিয়ে কি কৰাৰ চেষ্টা কৰিছিল ? **1**

(A) শব্দৰ মূল নিৰ্ণয় (B) অসমীয়া ভাষা-সাহিত্যৰ সমালোচনা

(C) কলিতা জাতিৰ উৎস উদ্ধাৰ (D) 'প্ৰহ্লাদ চৰিত' আৰু 'অংকাৰলী'ৰ সংগ্ৰহ

(VII) কালিৰাম মেধিক কেনে ধৰণৰ অধ্যয়নৰ বাটকটীয়া বুলি কোৱা হৈছে ? **1**

(A) আহোম বুৰঞ্জী অধ্যয়নৰ

(B) কলিতা জাতিৰ ইতিবৃত্ত সম্পৰ্কীয় অধ্যয়নৰ

(C) মৃতকৰ উৎসৱ, শিশুৰ জন্মোৎসৱ আদি সামাজিক লোকাচাৰ অধ্যয়নৰ

(D) পুৰণি অসমীয়া সাহিত্যৰ সমীক্ষাত্মক পাঠ অধ্যয়নৰ

(VIII) অসমীয়া ভাষাত বৰ্তমানলৈকে লিখা হোৱা ব্যাকৰণসমূহৰ ভিতৰত আটাইতকৈ সৰ্ববৃহৎ কোনখন ? **1**

(A) বহল ব্যাকৰণ

(B) অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব

(C) ৰচনা বিচিত্ৰা

(D) অসমীয়া, বাংলা আৰু উড়িয়া ভাষা ঃ এটি তুলনামূলক অধ্যয়ন

(IX) 'বৈদিক' শব্দটোৰ সন্ধি ভাঙি দেখুওৱাঁ — **1**

(A) বেদ + ইক্ (B) বৈ + দিক

(C) ব + ঐ + দ + ই + ক (D) বৈদ + ক

(X) কালিৰাম মেধিৰ 'অসমীয়া ভাষাৰ ব্যাকৰণ আৰু ভাষাতত্ত্ব' নামৰ গ্ৰন্থখনৰ সুকীয়া বৈশিষ্ট্যসমূহ উল্লেখ কৰাঁ। **2**

(XI) অসমীয়া ভাষা-সাহিত্যৰ চৰ্চালৈ কালিৰাম মেধিৰ অৱদানৰ বিষয়ে লিখাঁ। **2**

(XII) কালিৰাম মেধিৰ আলোচনা বা বিশ্লেষণ কিয় 'বিতৰ্কৰ উৰ্দ্ধত' নহয় আৰু কিয় তথাপি তেওঁক কৃতিত্বৰ দাবী প্ৰাপ্য বুলি কৈছে ? **2**

## SECTION - B (25 Marks)

## লিখন কলা

**2.** (a) তলত দিয়া সংকেত বাক্যবোৰৰ সহায়ত গল্পটো সম্পূৰ্ণ কৰি তাৰ শিৰোনাম আৰু নীতি-শিক্ষা উল্লেখ কৰাঁ। **5x1=5**

চাৰিজন বন্ধু — তিনিজনৰ আছিল বহুতো অলৌকিক বিদ্যা — চতুৰ্থজনৰ বুদ্ধি — চতুৰ্থজনক হেয় দৃষ্টি — চাৰিওজনৰে এক যাত্ৰা — যাত্ৰাপথত এটা সিংহৰ হাড়-মূৰ — জীয়াই দিব পৰা বিদ্যাৰ প্ৰদৰ্শন কৰিব বিচাৰিলে — চতুৰ্থজনৰ হাক-বচন নুশুনিলে — প্ৰথমজনে সিংহৰ হাড়-মূৰবোৰক আকাৰ দিলে — দ্বিতীয়জনে ৰক্ত-মাংস আৰু তৃতীয়জনে প্ৰাণ — ইতিমধ্যে চতুৰ্থজনে গছৰ ডালত উঠিছিল — প্ৰাণ পোৱা সিংহটোৱে প্ৰথম তিনিওজনকে ভক্ষণ —।

**নাইবা**

(b) তলত দিয়া বিষয় দুটাৰ যিকোনো এটা বাছি লৈ এখন ৰচনা লিখাঁ।

(I) বন্যপ্ৰাণী সংৰক্ষণ

(II) কৃত্ৰিম বুদ্ধিমত্তা

**3.** তোমাৰ বিদ্যালয়ত অনুষ্ঠিত হৈ যোৱা এক শিল্পী-শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ সবিশেষ বৰ্ণনা কৰি বাতৰি কাকতত প্ৰকাশৰ বাবে এখন প্ৰতিবেদন যুগুত কৰাঁ। (বিদ্যালয়ৰ নাম সাংকেতিক আখৰত লিখিবা।) **5**

**4.** তলত দিয়া যিকোনো এটা ফকৰা-যোজনাৰ ভাবাৰ্থ বুজাই লিখাঁ। **5x1=5**

(I) অতি ভক্তি চোৰৰ লক্ষণ

(II) কিনা হাঁহৰ ঠোঁটলৈকে মঙহ

5. (a) তোমাৰ অঞ্চলত সঘনাই হোৱা বিজুলী কৰ্তনৰ সমস্যাৰ বিষয়ে জনাই বিভাগীয় পৌৰপতিলৈ এখন আবেদন প্ৰস্তুত কৰাঁ। **5x1=5**

**নাইবা**

(b) তোমাৰ আজৰি পৰৰ চখৰ বিষয়ে জনাই তোমাৰ বন্ধুলৈ এখন চিঠি লিখাঁ। (চিঠিত নিজৰ নাম-ঠিকনা সাংকেতিক ভাষাত লিখিবাঁ।)

6. তলত দিয়া জঁতুৱা খণ্ডবাক্যকেইটাৰ পৰা যিকোনো পাঁচটাৰে একোটাকৈ অৰ্থবহ বাক্য ৰচনা কৰাঁ। **5x1=5**
গা জুৰ পৰ, চকু ৰাখ, ঘৰ গোণা, মুখ মেলি থাক, চকুৰ মণি, চকু চৰহা, দাঁতে-ওঁঠে নলগা

## SECTION - C (20 Marks)

## ব্যাকৰণ

7. তলত দিয়া শব্দকেইটাৰ শুদ্ধ সন্ধি নিৰ্ণয় কৰাঁ। **1x4=4**

(I) মনোযোগ

(A) মন + যোগ (B) মনো + যোগ
(C) মনঃ + যোগ (D) ম + ন + ও + য + ও + গ

(II) দিগন্ত

(A) দি + গন্ত (B) দিক্ + অন্ত
(C) দ + ই + গ + ন + ত (D) দিগ + ন্ত

(III) সচ্চৰিত্ৰ

(A) সচ + চৰিত্ৰ (B) স + চ্চ + ৰিত্ৰ
(C) স + চৰিত্ৰ (D) সৎ + চৰিত্ৰ

(IV) মেঘালয়

(A) মেঘা + লয় (B) মেঘ + আলয়
(C) মে + ঘা + ল + য় (D) মে + ঘ + আ + ল + য়

8. শুদ্ধ উপসৰ্গৰ বিকল্পটো বাছি উলিওৱাঁ। **1x2=2**

(I) অনাতাঁৰ

(A) অনঃ (B) অঃ
(C) অনা (D) অন

(II) পৰিহাস

(A) প (B) পৰি
(C) পঃ (D) হাস

**9.** (I) উপসৰ্গ কি ? **1x2=2**

(A) এবিধ ক্ৰিয়া (B) এবিধ বিশেষ্য

(C) এবিধ অব্যয় (D) এবিধ বিশেষণ

(II) দা, কটাৰী, কুঠাৰ আদি কেনে ধৰণৰ বিশেষ্য পদৰ উদাহৰণ ?

(A) জাতিবাচক (B) ক্ৰিয়াবাচক

(C) গুণবাচক (D) বস্তুবাচক

**10.** শুদ্ধ সমাৰ্থক শব্দটো নিৰ্বাচন কৰাঁ। **1x2=2**

(I) দিন

(A) দিৱস (B) ৰজনী

(C) মাসিক (D) দিবাকৰ

(II) আন্ধাৰ

(A) ৰাতি (B) তামসিক

(C) তমসা (D) সন্ধ্যা

**11.** শুদ্ধ বিপৰীতাৰ্থসূচক শব্দটো নিৰ্বাচন কৰাঁ। **1x2=2**

(I) শকত

(A) গোল (B) গধূৰ

(C) ডাঙৰ (D) ক্ষীণ

(II) আয়

(A) ব্যয় (B) কৰ

(C) আৰ্জন (D) উপাৰ্জন

**12.** শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ। **1x4=4**

(I) "তেওঁ মনোযোগেৰে পঢ়া-শুনা কৰে।"

(A) জটিল বাক্য (B) ভাববোধক বাক্য

(C) সৰল বাক্য (D) যৌগিক বাক্য

(II) "বাহ্! কেনে ধুনীয়া পখিলা!"

(A) অনুজ্ঞাবোধক বাক্য (B) ভাববোধক বাক্য

(C) প্ৰশ্নবোধক বাক্য (D) নিৰ্দেশাত্মক বাক্য

(III) "তাইৰ যাবলৈ মন নাছিল, কিন্তু তাই গ'ল।"

(A) সৰল বাক্য (B) যৌগিক বাক্য

(C) প্ৰশ্নবোধক বাক্য (D) নিষেধাত্মক বাক্য

(IV) "দেউতাই যেতিয়া ফুলপুলিত পানী দিয়ে, মায়ে তেতিয়া ঊল গোঁঠে।"

(A) সৰল বাক্য (B) ইচ্ছাত্মক বাক্য

(C) মিশ্ৰ বাক্য (D) ভাববোধক বাক্য

**13.** অতি চমুকৈ উত্তৰ লিখাঁ। **1x2=2**

(I) প্ৰাতিপদিক কাক বোলে ?

(II) ক্ৰিয়াৰ মূলক কি বোলে ?

**14.** নিৰ্দেশ অনুসৰি উত্তৰ লিখাঁ। **1x2=2**

(I) স্বৰূপ বৰ্তমান কালৰ এটা উদাহৰণ বাক্যত লিখাঁ।

(II) কাল কাক বোলে ?

## SECTION - D (20 Marks)

## সাহিত্য (গদ্য ভাগ)

**15.** তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখাঁ। **4x1=4**

(I) প্ৰায় শূন্যৰ পৰা আৰম্ভ কৰিও ভাৰতৰ সৰ্বকালৰ এজন সফল ব্যৱসায়ী হৈ উঠা ধীৰুভাই আম্বানীৰ সফলতাৰ কাহিনীটো বৰ্ণনা কৰাঁ।

(II) বিভিন্ন ভাষাগোষ্ঠী আৰু বিভিন্ন ধৰ্মাৱলম্বী লোক থকা স্বত্বেও অসমত এই সকলো কেনেকৈ 'অসমীয়া' হৈ পৰিল তোমাৰ পাঠ্যপুথিৰ আধাৰত আলোচনা কৰাঁ।

(III) পাহি আৰু পল কিদৰে অৰণ্যযাত্ৰাৰ কাৰণে সাজু হৈছিল বৰ্ণনা কৰাঁ।

**16.** তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ চমুকৈ লিখাঁ। **2x1=2**

(I) অসমৰ পুৰণি সাহিত্যৰ সমলসমূহ কি কি ?

(II) আফতাবহঁতক ফুটা নাওখনৰ পৰা হোৱা বিপদৰ পৰা কোনে কেনেদৰে উদ্ধাৰ কৰিছিল ?

(III) বৃটিছে অসমত চাহ উদ্যোগ প্ৰতিষ্ঠা কৰাৰ পাছত তাত কাম কৰিবলৈ কোন কোন আৰু ক'ৰ ক'ৰ পৰা আহিছিল ?

17. অতি চমুকৈ উত্তৰ লিখাঁ। **1x4=4**

(I) আব্দুছ ছাত্তাৰ কোন ?

(II) মেৰী কাৰ্জনক কোনে প্ৰথমে গড় দেখুৱাইছিল ?

(III) কাজিৰঙাৰ প্ৰথম অসমীয়া বন বিষয়া কোন আছিল ?

(IV) অসমত প্ৰাচীন কালৰে পৰা কি কি ধৰ্মৰ প্ৰচলন আছিল ?

## (পদ্য ভাগ)

18. তলত দিয়া যিকোনো এটা প্ৰশ্নৰ নিৰ্দেশ অনুসৰি উত্তৰ লিখাঁ। **4x1=4**

(I) তোমাৰ পাঠ্যপুথিত থকা জিকিৰটোৰ মূলভাব লিখাঁ।

(II) ব্যাখ্যা কৰাঁ ঃ

সহস্ৰ বয়নে যাৰ নপাৱন্ত সীমা।
অধমে জানিবো কেনে তোমাৰ মহিমা।।
আতুৰ ভৈলোহো হৰি বিষয় বিকলে।
কৰিয়ো উদ্ধাৰ মোক চৰণ কমলে।।

(III) 'প্ৰশস্তি' কবিতাৰ আধাৰত ৰঘুনাথ চৌধাৰীৰ কবিতাত প্ৰকৃতিৰ বৰ্ণনা তথা বন্দনাৰ বিষয়ে লিখাঁ।

19. যিকোনো এটা প্ৰশ্নৰ উত্তৰ চমুকৈ লিখাঁ। **2x1=2**

(I) গুৰু দুজনাৰ বৰগীতৰ সংখ্যা কিমান ?

(II) জিকিৰৰ ৰচক কোন ? এই শব্দটোৰ উদ্ভৱ আৰু অৰ্থৰ বিষয়ে লিখাঁ।

(III) 'প্ৰশস্তি' কবিতাটোত উল্লেখ থকা 'নৱ কিশলয়' কি ? এই নৱ কিশলয়ে কেনেদৰে প্ৰকৃতিক আদৰি আনিছে ?

20. অতি চমুকৈ উত্তৰ লিখাঁ। **1x4=4**

(I) 'ৰচুল' শব্দটোৱে কি বুজায় ?

(II) মাধৱদেৱৰ বৰগীতসমূহৰ ঘাই বিষয় কি ?

(III) ৰঘুনাথ চৌধাৰীক কি কবি বুলি জনা যায় ?

(IV) কোনগৰাকী আহোম ৰজাৰ শাসন কালত আজান পীৰ অসমলৈ আহিছিল ?

- o O o -